# **REGIONAL NEWS UNIT**
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-07-2025
**Time :** 1845 HRS

## ***Assamese Evening Bulletin***
## **Headlines**

**-------------------**

১। অসমীয়া ভাষাক লৈ কেতিয়াও আপোচ কৰা নহ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। অহা বছৰৰ জানুৱাৰীলৈ ৮০ খন নতুন চাহ বাগিচা আদৰ্শ বিদ্যালয় উদ্বোধন কৰাৰ বাবে ৰাজ্য চৰকাৰৰ পৰিকল্পনা।

৩। ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগৰ উদ্যোগত আজিৰে পৰা জিলাই জিলাই ডায়েৰীয়া প্ৰতিৰোধ অভিযান।

৪। দেশৰ ভিন্ন প্ৰান্তৰ লগতে অসমতো ৰাষ্ট্ৰীয় মীন পালক দিৱস পালন। ***আৰু***

৫। ল'ৰ্ডছত অনুষ্ঠিত ভাৰত আৰু ইংলেণ্ডৰ মাজত চলিত শৃংখলাৰ তৃতীয়খন টেষ্টৰ প্ৰথম ইনিংছত ঘৰুৱা দলটোৰ দুই উইকেটত ৮৯ ৰান সংগ্ৰহ।

০০০০০

ৰাজ্য চৰকাৰে অসমীয়া ভাষাৰ স্বকীয়তা ৰক্ষাৰ বাবে সকলো ধৰণৰ প্ৰচেষ্টা গ্ৰহণ কৰাৰ লগতে অসমীয়া ভাষালৈ অহা ভাবুকি প্ৰতিহত কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁলোকৰ চৰকাৰ থকা পৰ্যন্ত অসমীয়া ভাষাক লৈ চিন্তা কৰিবলগীয়া বিশেষ নাই বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। গুৱাহাটীত আজি সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তেওঁ লগতে কয়, যে ভাষাক লৈ কেতিয়াও আপোচ কৰা নহ'ব। অসমত অসমীয়া আইনগত ভাষা আৰু ৰাজ্যিক ভাষা হিচাপে অসমীয়া থাকিবই বুলি তেওঁ কয়। এবিএমছুৰ এজন নেতাৰ অসমীয়া ভাষা বিদ্বেষী মন্তব্য সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে এইদৰে কয়।

**বাইট (চি এম)**

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি চাহ বাগিচা অঞ্চলৰ আদৰ্শ বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত অনুষ্ঠিত এই মত-বিনিময় অনুষ্ঠানত মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ ১১৮খন চাহ বাগিচা আদৰ্শ বিদ্যালয় আৰু ৫৭খন কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ আদৰ্শ বিদ্যালয়ৰ কাম-কাজৰ পৰ্যালোচনা কৰে। বৈঠকত এই বিদ্যালয়সমূহৰ পাঠদান পদ্ধতি, শৈক্ষিক ফলাফল, কাৰ্যক্ষমতাকে ধৰি শৈক্ষিক দিশত প্ৰভাৱ পেলোৱা আৰ্থ-সামাজিক কাৰণসমূহৰ মূল্যায়ন কৰা হয়। ড০ শৰ্মাই এই বিদ্যালয়সমূহে সন্মুখীন হোৱা সমস্যাসমূহৰ বিষয়ে প্ৰধান শিক্ষকসকলৰ সৈতে আলোচনা কৰি ইয়াৰ সমাধানৰ পথ প্ৰশস্ত কৰাৰ বাবে পৰিকল্পনাৰ কথা উল্লেখ কৰে। তেওঁ লগতে অহা বছৰৰ জানুৱাৰীলৈ ৮০খন নতুন চাহ বাগিচা আদৰ্শ বিদ্যালয় উদ্বোধনৰ পৰিকল্পনাৰ কথাও প্ৰকাশ কৰে।

বাইট (চি এম)

বৈঠকত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা উপস্থিত থাকে। শিক্ষামন্ত্ৰী ডাঃ পেগুৱে শিক্ষাৰ্থীকেন্দ্ৰিক এই পৰ্যালোচনাই বিশেষকৈ প্ৰান্তীয় সম্প্ৰদায় আৰু দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে গুণগত মানৰ বিদ্যালয় শিক্ষা লাভ কৰাটো সুনিশ্চিত কৰিব বুলি মন্তব্য কৰে।

০০০০০

ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগৰ উদ্যোগত আজিৰে পৰা জিলাই জিলাই ডায়েৰীয়া প্ৰতিৰোধ অভিযান অনুষ্ঠিত হৈছে। এই অভিযানৰ জৰিয়তে ডায়েৰীয়াত আক্ৰান্ত হৈ কোনো শিশুৰ যাতে মৃত্যু নহয় তাৰ বাবে সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই কাৰ্যসূচীত নৱজাতকৰ পৰা ৫ বছৰ বয়সৰ সকলো শিশুকে সামৰি লোৱা হ'ব। জিলাখনৰ আশাকৰ্মীসকলে শিশু থকা পৰিয়ালৰ ঘৰে ঘৰে গৈ অ' আৰ এছ আৰু জিংক টেবলেট বিতৰণ কৰিব।

ৰাজ্যৰ অন্য প্ৰান্তৰ লগতে কামৰূপ মহানগৰ জিলাৰ সাতগাঁৱৰ ৰাজ্যিক আয়ুষ্মান আৰোগ্য মন্দিৰত আজিৰ পৰা ডায়েৰীয়া প্ৰতিৰোধ কাৰ্যসূচী অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ কাৰ্যবাহী সঞ্চালক ডাঃ মনোজ চৌধুৰীয়ে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অংগনৱাড়ী কেন্দ্ৰ আৰু বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শৌচাগাৰৰ ব্যৱহাৰ, পৰিষ্কাৰকৈ হাত ধুৱাৰ লগতে বিশুদ্ধ পানী সেৱনৰ গুৰুত্ব সম্পৰ্কে কাৰ্যসূচীত আলোচনা কৰা হ'ব। অহা ২৫ আগষ্টলৈ এই কাৰ্যসূচী অব্যাহত থাকিব।

ডায়েৰীয়া প্ৰতিৰোধ অভিযানৰ অংশ হিচাপে কামৰূপ জিলাৰ দলৈতোলা প্ৰাথমিক বিদ্যালয়ত এখন সজাগতা সভা অনুষ্ঠিত হয়। সভাত ডায়েৰীয়া প্ৰতিৰোধ ব্যৱস্থা আৰু চিকিৎসা সম্পৰ্কত বিশদভাৱে আলোচনা কৰা হয়। জিলাখনৰ কেইবাগৰাকীও অভিজ্ঞ চিকিৎসকৰ লগতে স্বাস্থ্যকৰ্মী, আশাকৰ্মী, অংগনৱাড়ী কৰ্মীয়ে এই সভাত অংশগ্ৰহণ কৰে।

শিৱসাগৰৰ জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত আজিৰে পৰা জিলাখনত ৪৫ দিনীয়া কাৰ্যসূচীৰে ডায়েৰীয়া নিৰ্মূল অভিযান ২০২৫ অনুষ্ঠিত হৈছে। এই অভিযানৰ জৰিয়তে জিলাখনত ডায়েৰীয়া নিৰ্মূলকৰণৰ বাবে ব্যাপক ৰূপত কাৰ্যসূচী গ্ৰহণ কৰা হ'ব।

ডায়েৰীয়া নিৰ্মূল অভিযানৰ সৈতে সংগতি ৰাখি বৰপেটাতো বিশেষ কাৰ্যসূচী অনুষ্ঠিত হৈছে। জিলাখনৰ স্বাস্থ্য বিভাগৰ অতিৰিক্ত জিলা আয়ুক্তই এটি শিশুক ডায়েৰীয়া প্ৰতিৰোধী প্ৰতিষেধক সেৱন কৰাই ডায়েৰীয়া প্ৰতিৰোধ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অহা আগষ্ট মাহলৈ চবিলগীয়া এই অভিযানত আশাকৰ্মীসকলে শিশু থকা ঘৰলৈ গৈ প্ৰতিষেধক প্ৰদান কৰিব। অংগনৱাড়ী কৰ্মীসকলেও শিশুসকলক লৈ ডায়েৰীয়া প্ৰতিৰোধৰ ব্যৱস্থাৱলী ৰূপায়ণ কৰিব। স্বাস্থ্য বিভাগৰ দলেও অংগনৱাড়ী কেন্দ্ৰসমূহলৈ গৈ শিশুসকলক স্বাস্থ্য পৰীক্ষা কৰি প্ৰয়োজন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিব।

বজালী জিলাত স্বাস্থ্য বিষয়া ডাঃ দিপ্তী চৌধুৰীয়ে আনুষ্ঠানিকভাৱে ডায়েৰীয়া প্ৰতিৰোধী কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। এই সজাগতামূলক কাৰ্যসূচী আজিৰ পৰা দুমাহ পৰ্যন্ত চলিব।

০০০০০

আজি ৰাষ্ট্ৰীয় মীন পালক দিৱস। কৃষি মন্ত্ৰী অতুল বৰাই এই উপলক্ষে মীন পালকসকলক শুভেচ্ছা জনাই কয়, যে ৰাজ্য চৰকাৰে মীন আৰু জলজ কৃষিখণ্ডৰ সম্ভাৱনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি আন্তঃগাঁথনি উন্নয়ন আৰু কৃষকৰ বাবে যাৱতীয় সুবিধা উপলব্ধ কৰাত অগ্ৰাধিকাৰ দি এই খণ্ডটোক স্বাৱলম্বী হোৱাৰ উৎস লৈ

ৰূপান্তৰিত কৰিছে। তেওঁ যুৱক-যুৱতীসকলক চৰকাৰী আঁচনিৰ সদব্যৱহাৰ কৰি মৎস্য পালনৰ ক্ষেত্ৰত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়।

দেশৰ ভিন্ন প্ৰান্তৰ লগতে অসমতো এই দিৱসৰ সৈতে সংগতি ৰাখি আজি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। আমিনগাঁৱত গুৱাহাটী বায়'টেক পাৰ্ক, কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত আৰু কামৰূপ জিলা মৎস্য বিভাগৰ সহযোগত মীন পালক দিৱস পালন কৰা হয়। অনুষ্ঠানত জিলাখনৰ ১২ গৰাকী কৃতি মৎস্য পালকক সম্বৰ্ধনা জনোৱা হয়। মীন পালকৰ লগতে মৎস্য পালনৰ সৈতে জড়িত ব্যৱসায়ৰ প্ৰশিক্ষণৰ বাবে ডেৰ শতাধিক মহিলাক অনুষ্ঠানলৈ আমন্ত্ৰণ জনোৱা হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি এখন প্ৰদৰ্শনীও অনুষ্ঠিত কৰা হয়।

বৰপেটাত এই দিৱস উপলক্ষে জিলা মীন বিভাগৰ কাৰ্যালয়ত বিশেষ কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। দিৱসৰ কাৰ্যসূচীৰ অংশ হিচাপে মীন বিভাগৰ বিষয়াসকলে জিলাখনৰ মীন পালকসকলৰ সৈতে মত বিনিময়ত অংশ লৈ তেওঁলোকৰ অভাৱ-অভিযোগৰ বুজ লয়। ইয়াৰ লগতে অনুষ্ঠানত মীন পালক নুৰ ইছলামক মীন বিভাগৰ তৰফৰ সম্বৰ্ধনা জনোৱা হয়।

০০০০০

কেন্দ্ৰীয় চৰকাৰৰ মহিলা আৰু শিশু বিকাশ বিভাগৰ নিৰ্দেশনামৰ্মে শিৱসাগৰ জিলা প্ৰশাসনে প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় শিশু পুৰস্কাৰৰ বাবে জিলাস্তৰৰ আবেদনৰ আহ্বান জনাইছে। জিলাখনৰ ১৮ বছৰ অনূৰ্ধৰ শিশু অথবা কিশোৰসকলে এই পুৰস্কাৰৰ বাবে আবেদন কৰিব পাৰিব। আবেদনৰ অন্তিম দিন অহা ৩১ জুলাই ধাৰ্য কৰা হৈছে। জিলা স্তৰত বিভিন্ন শিতান যেনে- উদ্ভাৱন, বিদ্যায়তনিক কৃতিত্ব, সমাজসেৱা, কলা-সংস্কৃতি, সাহসিকতা অথবা ক্ৰীড়া ক্ষেত্ৰত উৎকৃষ্ট পাৰদৰ্শিতা প্ৰদৰ্শন কৰা কিশোৰসকলে এই পুৰস্কাৰৰ বাবে অনলাইনযোগে আবেদন কৰিব পাৰিব। যোগ্য প্ৰাৰ্থীসকলে awards.gov.in প'ৰ্টেলযোগে আবেদন কৰিব পাৰিব।

০০০০০

যোৰহাট জিলা আৰক্ষীয়ে দুজনকৈ ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰে। অসম চিকিৎসা পৰিষদৰ বিষয়া ডঃ অভিজিত নেওগৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে কালি অশোক কুমাৰ গগৈক গ্ৰেপ্তাৰ কৰিছিল। আজি অমৰজ্যোতি নাথ নামৰ আন এজন ভুৱা চিকিৎসকজনক গ্ৰেপ্তাৰ কৰে। বিগত ১৫ বছৰ ধৰি ধৃত ভুৱা চিকিৎসকদ্বয়ে প্ৰয়োজনীয় অৰ্হতা আৰু পঞ্জীয়ন নথকাকৈ চিকিৎসা সেৱা আগবঢ়াই অহা বুলি অভিযোগ উত্থাপন হৈছে। আৰক্ষীয়ে দুয়োজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি ঘটনা সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

একেদৰে কলিয়াবৰৰ চিকণী চাহ বাগিচাৰ পৰা জখলাবন্ধা আৰক্ষীয়ে পংকজ দাস নামৰ আন এজন ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰে। ফাৰ্মাচিষ্ট পংকজ দাসে ২০১৩ চনৰ পৰা ভুৱা চিকিৎসক হিচাপে সেৱা আগবঢ়াই অহা বুলি অভিযোগ উঠিছে। জখলাবন্ধা আৰক্ষীয়ে গোচৰ পঞ্জীয়ন কৰি পংকজ দাসক জে'ল হাজোতলৈ প্ৰেৰণ কৰিছে।

০০০০০

০০০০০

আকাশবাণী গুৱাহাটীৰ অহা শনিবাৰে নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত মূল্যবোধ আধাৰিত শিক্ষা ব্যৱস্থা সন্দৰ্ভত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানত অসম মাধ্যমিক শিক্ষা পৰিষদ ছেবাৰ প্ৰাক্তন অধ্যক্ষ শান্তিকাম হাজৰিকা আৰু গুৱাহাটী তাৰিণী চৰণ চৌধুৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালিকা বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা জ্যোৎস্না ভাগৱতীয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিৰ আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০

রাজ্য চৰকাৰৰ আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ উদ্যোগত আৰু আভ্যন্তৰীণ জল পৰিবহন উন্নয়ন সমিতিৰ সহযোগত ধুবুৰী জিলাত দুটা পৰ্যায়ত আয়োজন কৰা নাবিক প্ৰশিক্ষণৰ আজি সামৰণি পৰে। ১৫-দিনীয়াকৈ আয়োজন কৰা এই প্ৰশিক্ষণৰ প্ৰথম পৰ্যায়ত ১৬০জন ইঞ্জিন চালক আৰু খালাচীক প্ৰশিক্ষণ দিয়া হয়। একেদৰে দ্বিতীয় পৰ্যায়ত ১৮৪ জন ইঞ্জিন চালক আৰু খালাচীক প্ৰশিক্ষণ প্ৰদান কৰা হয়। আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ নাবিক প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰশিক্ষক জয়ন্ত গগৈ আৰু সহকাৰী অধীক্ষক ৰঞ্জিত কুমাৰ দত্তৰ উপস্থিতিত নৌ সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত বিষয়াসকলে প্ৰশিক্ষণ প্ৰদান কৰে। উল্লেখযোগ্য যে ধুবুৰীত আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ অধীনত মুঠ পাঁচটা ঘাট থকাৰ উপৰি গাঁও পঞ্চায়ত আৰু জিলা পৰিষদত ধুবুৰী আৰু দক্ষিণ শালমাৰা মানকাচৰ জিলাক সামৰি ১৬২টা ঘাট আছে। প্ৰশিক্ষণ কাৰ্যসূচীত এই ঘাটসমূহত চলাচল কৰা নাৱৰ মুঠ ৩৪৪ জন ইঞ্জিন চালক আৰু খালাচীক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হয়।

০০০০০

শিৱসাগৰ জিলাত কালিৰে পৰা জলাতংক প্ৰতিৰোধী টীকাকৰণ অভিযান অব্যাহত আছে। জলাতংক ৰোগৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি জিলা প্ৰশাসন, পশু চিকিৎসা বিভাগ আৰু শিৱসাগৰ পৌৰসভাৰ যৌথ উদ্যোগত এই অভিযান অনুষ্ঠিত কৰা হৈছে। জিলা অসামৰিক প্ৰতিৰক্ষা বিভাগ আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ো এই অভিযানত সহযোগিতা আগবঢ়াইছে। অভিযানৰ অধীনত প্ৰথমে শিৱসাগৰ জিলাৰ পদপথৰ ৩৮টা কুকুৰৰ টীকাকৰণ কৰা হয়। জিলাখনৰ বাবুপট্টি, কেন্দ্ৰীয় বজাৰ, থনামুখতো টীকাকৰণ অভিযান চলোৱা হয়। এই পদক্ষেপৰ জৰিয়তে জিলাখনত জলাতংক ৰোগ হ্ৰাস পাব বুলি আশা কৰা হৈছে।

০০০০০

০০০০০

ল'ৰ্ডছত অনুষ্ঠিত ভাৰত আৰু ইংলেণ্ডৰ মাজত এণ্ডাৰচন-তেণ্ডুলকাৰ ট্ৰফী ক্ৰিকেট শৃংখলাৰ তৃতীয়খন টেষ্টত ঘৰুৱা দলটোৱে টছত জিকি বেট ধৰাৰ সিদ্ধান্ত লৈ প্ৰথম ইনিংছত ভোজন বিৰতিৰ পৰলৈকে দুটা উইকেটৰ বিনিময়ত ৮৩ ৰান সংগ্ৰহ কৰে। জেক ক্ৰ'লীয়ে ১৮ ৰান আৰু বেন ডাকেটে ২৩ ৰান কৰি আউট হয়। ভাৰতৰ হৈ নীতিশ কুমাৰ ৰেড্ডীয়ে দুয়োটা উইকেট দখল কৰিছে। ভোজন বিৰতিৰ পাছত খেল পুনৰ আৰম্ভ হৈছে। ইংলেণ্ডে বাতৰি যুগুতোৱা পৰলৈকে নতুনকৈ উইকেট নেহেৰুৱাকৈ ৯৩ ৰান সংগ্ৰহ কৰিছে।

উল্লেখযোগ্য যে এণ্ডাৰচন-তেণ্ডুলকাৰ শৃংখলাত ভাৰত আৰু ইংলেণ্ডে উভয়ে এখনকৈ টেষ্ট মেচত জয়লাভ কৰিছে।

০০০০০

উজনি অসম আৰ্চাৰী একাডেমী ডিব্ৰুগড়ৰ উদ্যোগত অসম আৰ্চাৰী সন্থা, ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থা আৰু জিলা ক্ৰীড়া বিষয়া কাৰ্যালয়ৰ সহযোগত আজিৰে পৰা ১০-দিনীয়াকৈ বৰবৰুৱা চাহ বাগিছা পূজা খেলপথাৰত গ্ৰীষ্মকালীন আৰ্চাৰী প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম  হাজৰিকাই আনুষ্ঠানিকভাৱে মুকলি কৰা এই প্ৰশিক্ষণ শিবিৰত জিলাখনৰ শতাধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে।

০০০০০

সমাপ্ত